**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
**-----------------------------**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে মহাৰাষ্ট্ৰৰ পালঘৰত নিৰ্মাণ হ'বলগীয়া ৱাধৱন বন্দৰ হৈছে এটা অতি গুৰুত্বপূৰ্ণ প্ৰকল্প আৰু এই বন্দৰে দেশৰ উন্নয়নত অৰিহণা যোগাব।

২। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে আজি হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্পোৰেশ্যন লিমিটেডৰ তৈলভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰে। বিয়লিৰ ভাগত মন্ত্ৰীগৰাকী চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ গেলেফুলৈ বুলি ৰাওনা হ'ব।

৩। বেইজিঙত অনুষ্ঠিত ভাৰত-চীন সীমান্ত পৰিক্ৰমা সন্দৰ্ভত পৰামৰ্শ আৰু সমন্বয় সম্পৰ্কীয় কাৰ্যতন্ত্ৰৰ ৩১সংখ্যক বৈঠকত ভাৰত আৰু চীনে সীমান্ত অঞ্চলত শান্তি বৰ্তাই ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

**আৰু**

৪। অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি পঞ্চমদিনা কেইবাখনো বিধেয়ক উত্থাপন কৰা হয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে মহাৰাষ্ট্ৰৰ পালঘৰত নিৰ্মাণ হ'বলগীয়া ৱাধৱন বন্দৰ হৈছে এটা অতি গুৰুত্বপূৰ্ণ প্ৰকল্প। এই বন্দৰে দেশৰ উন্নয়নত অৰিহণা যোগাব বুলিও প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত বন্দৰৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে আজি উন্মোচন হোৱা দেশৰ সৰ্ববৃহৎ গভীৰ পানীৰ বন্দৰে প্ৰগতিৰ শক্তিকেন্দ্ৰ হিচাপে মহাৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকাক পুনৰ নিশ্চিত কৰিব। এই প্ৰকল্পই ভাৰতৰ সামুদ্ৰিক শক্তি বৃদ্ধি কৰাৰ লগতে গোলকীয় বাণিজ্যৰো প্ৰসাৰ সাধন কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰায় ৭৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ৱাধৱন বন্দৰৰ আধাৰশিলা স্থাপন কৰে। এই বন্দৰটো দেশৰ অন্যতম বৃহৎ গভীৰ পানীৰ বন্দৰ হোৱাৰ লগতে এই বন্দৰে জল পৰিবহনৰ সময় আৰু ব্যয় হ্ৰাস কৰি আন্তঃৰাষ্ট্ৰীয় জাহাজ পথৰ সৈতে পোনপটীয়াকৈ যোগাযোগ স্থাপন কৰিব।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে আজি চিৰাং জিলাৰ পশ্চিম শিলপাতা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰটোৰ শিশুসকলৰ মাতৃসকলৰ সৈতে বাৰ্তালাপ কৰে। ড০ মুৰুগানে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে কাজলগাঁৱত সমাজ কল্যাণ বিভাগৰ মহিলা পৰামৰ্শদাতা কেন্দ্ৰ পৰিদৰ্শন কৰি কেন্দ্ৰটোৰ কাম-কাজৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ ৰণগৌৰা নাৰ্জাৰী, জয়ন্ত বসুমতাৰী, বি টি চিৰ কাৰ্যবাহী সদস্য

গৌতম দাস আৰু চিৰাঙৰ জিলা আয়ুক্তই অনুষ্ঠানত অংশ লয়। ইয়াৰ পাছত তেওঁ জিলাখনৰ দাংতল খাগ্ৰাবাৰীত হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্পোৰেশ্যন লিমিটেডৰ তৈলভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই নিৰ্মাণৰত তৈল ভাণ্ডাৰে বি টি চিৰ আৰ্থ-সামাজিক দিশত বিশেষভাৱে অৰিহণা যোগাব বুলি মত প্ৰকাশ কৰে।
ইয়াৰ পাছত তেওঁ চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ শিক্ষানুষ্ঠান আৰু কেন্দ্ৰীয় চৰকাৰৰ কেতবোৰ আঁচনি পৰিদৰ্শন কৰে। বিয়লিৰ ভাগত মন্ত্ৰীগৰাকী চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ গেলেফুলৈ বুলি ৰাওনা হ'ব। ড০ মুৰুগানে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটীত থকা কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা।

00000

ভাৰত আৰু  চীনে সীমান্ত অঞ্চলত শান্তি বৰ্তাই ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক হোৱাৰ বাবে শান্তি প্ৰতিষ্ঠা তথা বাস্তৱিক নিয়ন্ত্ৰণ ৰেখা অৰ্থাৎ এল এ চিৰ গুৰুত্ব দিয়াটো প্ৰাথমিক প্ৰয়োজন বুলি দোহাৰে। উল্লেখযোগ্য যে বেইজিঙত অনুষ্ঠিত  ভাৰত-চীন সীমান্ত পৰিক্ৰমা সন্দৰ্ভত পৰামৰ্শ আৰু সমন্বয় সম্পৰ্কীয় কাৰ্যতন্ত্ৰৰ ৩১সংখ্যক বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ পূব এছিয়াৰ যুটিয়া সচিব গৌৰাঙ্গলাল দাসে ভাৰতীয় প্ৰতিনিধিসকলৰ নেতৃত্ব দিয়ে। আনহাতে চীনৰ বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সীমা আৰু সমুদ্ৰ পৰিক্ৰমা বিভাগৰ সঞ্চালক প্ৰধান হং লিয়াঙে চীনৰ প্ৰতিনিধিসকলৰ নেতৃত্ব দিয়ে। বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে দুয়োপক্ষই বৰ্তমান পৰিস্থিত সন্দৰ্ভত মুক্ত, গঠনমূলক আৰু ভৱিষ্যদৰ্শী আলোচনা কৰাৰ লগতে এল এ চিৰ পৰিস্থিতি শীঘ্ৰে সমাধানৰ সন্দৰ্ভতো আলোচনা কৰে। দুয়োখন দেশে লগতে কূটনৈতিক আৰু সামৰিক ব্যৱস্থাৰ জৰিয়তে সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰতো সহমত প্ৰকাশ কৰে।

0000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰত ৰ ফিনটেকে সমগ্ৰ বিশ্ববাসীৰ জীৱন সুগম কৰি তোলাৰ বাবে কাম কৰি আছে। মুম্বাইত আজি গোলকীয় ফিনটেক ফেষ্ট-২০২৪ত ভাষণ দি শ্ৰী মোদীয়ে কয় যে ভাৰতৰ ফিনটেক প্ৰযুক্তি গতি আৰু মানৰ ক্ষেত্ৰত কাৰো সৈতে তুলনা নহয় আৰু বিশ্বৰ বহুপৰিমাণৰ ডিজিটেল লেন-দেন ভাৰততে হয়। শ্ৰীমোদীয়ে কয় যে বিত্তীয় সেৱা গণতান্ত্ৰিকৰণ কৰাত ফিনটেকে বিশেষ ভূমিকা পালন কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে ডিজিটেল লেন-দেনে সমান্তৰাল অৰ্থব্যৱস্থাৰ অন্ত পেলোৱাৰ লগতে বেংক ব্যৱস্থাত স্বচ্চতা বৃদ্ধি কৰিছে।

000000

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি পঞ্চমদিনা কেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দি আছাম ৰাইট টু পাব্লিক ছাৰ্ভিছেছ এমেণ্ডমেণ্ট বিল-২০২৪, পৰিবহন মন্ত্ৰী কেশৱ মহন্তই দি আছাম মটৰ ভেহিক'ল টেক্সেছন এমেণ্ডমেণ্ট বিল-২০২৪, ৰাজহ মন্ত্ৰী যোগেন মহনে দি আছাম ফিক্সেছন অৱ ছিলিং অন লেণ্ড হল্ডিংছ এমেণ্ডমেণ্ট বিল-২০২৪, দি আছাম এগ্ৰিকালছাৰেল

লেণ্ড (ৰেগুলেছন অৰ ৰি ক্লাছিফিকেছন এণ্ড ট্ৰান্সফাৰ ফৰ নন এগ্ৰিকালছাৰেল পাৰপাছ) এমেণ্ডমেণ্ট বিল-২০২৪ উত্থাপন কৰে।

ইফালে আজি বিধানসভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে ৰাজ্যত ২০২০ চনৰ পৰা বৰ্তমানলৈকে প্ৰাকৃতিক দুৰ্যোগৰ ফলত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালক চৰকাৰৰ তৰফৰ পৰা ৪ লাখ টকাকৈ ক্ষতিপূৰণ দিয়া হৈছে বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এটা লিখিত প্ৰশ্নৰ উত্তৰত এই কথা উল্লেখ কৰি কয় যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ৰাজ্যখনত ২০২০ৰ পৰা বৰ্তমনলৈকে মুঠ ৭৮৪জন লোকে প্ৰাণ হেৰুৱাইছে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যত বিগত সময়ছোৱাত বানপানীৰ ক্ষয়-ক্ষতিৰো তথ্য দাঙি ধৰে।

০০০০

ঝাৰখণ্ডৰ হেমন্ত চোৰেণ মন্ত্ৰীসভাত চম্পাই চোৰেণৰ সলনি ঘটচিলাৰ ঝাৰখণ্ডৰ মুক্তি মৰ্চাৰ বিধায়ক ৰামদাস চোৰেণক মন্ত্ৰীত্ব প্ৰদান কৰা হৈছে। ৰাঁচীৰ ৰাজভৱনত এটা অনুষ্ঠানত ৰাজ্যপাল সন্তোষ কুমাৰ গংৱাৰে ৰামদাস চোৰেণক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত ৰাজখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তসকল উপস্থিত থাকে।

০০০০০

ৱাকফ সংশোধনী বিধেয়ক-২০২৪ সন্দৰ্ভত বিভিন্ন অংশীদাৰীসকলৰ মতামত আৰু পৰামৰ্শ বিচাৰি নতুন দিল্লীত আজি যুটীয়া সমিতিৰ বৈঠক অনুষ্ঠিত হৈছে। লোকসভা সচিবালয়ে প্ৰকাশ কৰা অনুসৰি মুম্বাইৰ সৰ্বভাৰতীয় চুন্নী জামিয়াটুল ওলামা আৰু নতুন দিল্লীৰ ইণ্ডিয়ান মুছলিমছ ফৰ ছিভিল ৰাইটছে আজি সমিতিৰ আগত নিজৰ নিজৰ মতসমূহ প্ৰকাশ কৰিব। সমিতিৰ প্ৰথমখন বৈঠক যোৱা ২২ আগষ্টত অনুষ্ঠিত হৈছিল। ৩১জন সদস্যৰে গঠিত এই সমিতিত লোকসভাৰ ২১জন আৰু ৰাজ্যসভাৰ ১০জন সদস্য আছে।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ উদ্যোত কেন্দ্ৰীয় চলচিত্ৰ প্ৰমাণপত্ৰ পৰিষদৰ গুৱাহাটীস্থিত আঞ্চলিক কাৰ্যালয়ত আজি পুৱাৰে পৰা এখন কৰ্মশালা অনুষ্ঠিত হয়। দেশৰ বহুকেইজন চলচিত্ৰ নিৰ্মাতাই অংশগ্ৰহণ কৰা কৰ্মশালাখনৰ মূল বিষয়বস্তু হৈছে – চলচিত্ৰসমূহত শ্ৰৱণ আৰু দৃষ্টিশক্তিৰ অক্ষমতা থকা বিশেষভাৱে সক্ষম লোকসলৰ বাবে অভিগম্যতা মানৰ নিৰ্দেশনাৰ ৰূপায়ণ।

০০০০

পেৰিছ পেৰালিম্পিকত আজি দ্বিতীয় দিনা ভাৰতীয় খেলুৱৈসকল পদক তালিকাত আৰম্ভণিৰ লক্ষ্যৰে বিভিন্ন খেলত অৱতীৰ্ণ হ'ব। শুটিঙত টকিঅ' পেৰালিম্পিকত সোণৰ পদক লাভ কৰা অ ৱনি লেখাৰুৰ লগতে আন চাৰিগৰাকী শুটাৰে যোগ্যতা অৰ্জনকাৰী খেলৰ লগতে সম্ভাব্য ফাইনেলত পদক জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। ইফালে এথলেটিকছৰ তিনিটাকৈ ইভেণ্টতো আজি ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ হব। ইয়াৰ ভিতৰত মহিলাৰ ডিছকাছ থ্ৰ'ত জ্যোতি কৰম, শ্বাক্সী কাছানা, মহিলাৰ ১০০ মিটাৰ দৌৰত প্ৰিথি প'ল আৰু পুৰুষৰ শ্বটপুট প্ৰতিযোগিতাত মনোৰে প্ৰতিনিধিত্ব আগবঢ়াব। উল্লেখযোগ্য যে পেৰালিম্পিকৰ বেডমিণ্টনৰ খেলসমূহ প্ৰথমদিনাৰ পৰা চলি আছে। ০০০০

HOCKEY - WOMEN'S ASIAN C'SHIP (30-08-2024, MID.) NSD

বিহাৰৰ ৰাজগীৰত অহা ১১ নৱেম্বৰৰ পৰা চলিত বৰ্ষৰ মহিলাৰ এছিয়ান চেম্পিয়ন ট্ৰফী প্ৰতিযোগিতা আৰম্ভ হ'ব। হকী ইণ্ডিয়াই এই কথা ঘোষণা কৰি কৈছে যে, হকী ইণ্ডিয়া আৰু বিহাৰ চৰকাৰৰ যুটীয়া প্ৰয়াসত ৰাজগীৰ হকী ষ্টেডিয়ামত ১১ নৱেম্বৰৰ পৰা ২০ নৱেম্বৰলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এছিয়ান হকী ফেডাৰেছনৰ সভাপতি দাতো ফুমিঅ' অগুৰাই মহিলাৰ অষ্টম এছিয়ান ছেম্পিয়ন ট্ৰফী ভাৰতত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। হকী ইণ্ডিয়াৰ সভাপতি ড০ দিলীপ টিৰ্কীয়ে কৈছে যে, এয়া হকীৰ বাবে এটা ঐতিহাসিক মুহূৰ্ত। যোৱা বছৰ হকী ঝাৰখণ্ডে ৰাঁচীত মহিলাৰ এছিয়ান চেম্পিয়নশ্বিপ ট্ৰফী প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল।

০০০০

সমাপ্ত